অধ্যায় ১৪ : ‘সভ্য হবলৈ নিবেদন’ আৰু ‘নম্ৰতাই জ্ঞানৰ ফল’ (*অৰুনোদইৰ ধলফাট* পুথিৰ পৰা)

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ পাঠ দুটিৰ উৎস আৰু আলোচনা

১৪.৩.১ মূল পাঠ – ‘সভ্য হবলৈ নিৱেদন’ আৰু ‘নম্ৰতাই জ্ঞানৰ ফল’

১৪.৪ লেখা দুটিৰ সাধাৰণ আলোচনা

১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৬ অধিক জানিবলৈ

১৪.৭ অগ্ৰগতিৰ খতিয়ান

১৪.৮ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ‘সভ্য হবলৈ নিবেদন’ আৰু ‘নম্ৰতাই জ্ঞানৰ ফল’ লেখা দুটাৰ বিষয়বস্তু সম্বন্ধে জানিব পাৰিব।
- অৰুণোদই কাকতৰ সামাজিক আৰু সাহিত্যিক অৱদান বুজিব পাৰিব।
- ঊনবিংশ শতিকাৰ অসমীয়া সমাজৰ কুসংস্কাৰ, অন্ধবিশ্বাস আৰু সামাজিক পৰিস্থিতিৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব।
- ইংৰাজী শিক্ষা আৰু আধুনিক শিক্ষাৰ গুৰুত্ব উপলব্ধি কৰিব পাৰিব।
- নম্ৰতা, জ্ঞান আৰু আত্মউন্নয়নৰ মাজৰ সম্পৰ্ক বুজিব পাৰিব।
- অৰুণোদই যুগৰ অসমীয়া সমাজ-জীৱনৰ বিভিন্ন দিশ সম্বন্ধে ধাৰণা লাভ কৰিব পাৰিব।
- অৰুণোদই কাকতৰ গদ্যশৈলী আৰু ভাষাগত বৈশিষ্ট্যসমূহ জানিব পাৰিব।

১৪.২ পৰিচয়

পূৰ্বৰ অধ্যায়ত আমি অৰুণোদই যুগৰ অসমীয়া গদ্য সাহিত্যৰ উৎপত্তি, বিকাশ আৰু বৈশিষ্ট্যৰ বিষয়ে অধ্যয়ন কৰিছিলোঁ। সেই অধ্যায়ত অৰুণোদই প্ৰকাশৰ পূৰ্বে প্ৰচলিত বিভিন্ন গদ্যধাৰা, অসমৰ সামাজিক-সাংস্কৃতিক পৰিৱেশ, মিছনেৰীসকলৰ অৱদান আৰু অৰুণোদই আলোচনীৰ ভূমিকা সম্পৰ্কে জানিবলৈ সক্ষম হৈছিলোঁ। লগতে আত্মাৰাম শৰ্মা, মণিৰাম বৰভাণ্ডাৰ বৰুৱা, কাশীনাথ তামুলী ফুকন, নাথান ব্ৰাউন, মাইলছ ব্ৰন্সন, আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱা আদি

সাহিত্যিকসকলৰ সাহিত্যসাধনা আৰু আধুনিক অসমীয়া গদ্যৰ বিকাশত তেওঁলোকৰ অৱদানৰ বিষয়েও সম্যক ধাৰণা লাভ কৰিছিলোঁ।

এই অধ্যায়ত আমি *'সভ্য হবলৈ নিবেদন'* আৰু *'নম্রতাই জ্ঞানৰ ফল'* নামৰ দুটা উল্লেখযোগ্য লেখা অধ্যয়ন কৰিম। এই পাঠৰ জৰিয়তে অৰুণোদই কাকতৰ সামাজিক আৰু সাহিত্যিক অৱদান, ঊনবিংশ শতিকাৰ অসমীয়া সমাজত প্ৰচলিত কুসংস্কাৰ, অন্ধবিশ্বাস আৰু সামাজিক পৰিস্থিতিৰ বিষয়ে জানিব পাৰিম। লগতে ইংৰাজী শিক্ষা আৰু আধুনিক শিক্ষাৰ প্ৰয়োজনীয়তা, জ্ঞান, নম্রতা আৰু আত্মউন্নয়নৰ মাজৰ সম্পৰ্কৰ বিষয়েও উপলব্ধি লাভ কৰিব পাৰিম। এই অধ্যয়নৰ জৰিয়তে অৰুণোদই যুগৰ অসমীয়া সমাজ-জীৱনৰ বিভিন্ন দিশৰ লগতে অৰুণোদই কাকতৰ গদ্যশৈলী আৰু ভাষাগত বৈশিষ্ট্যসমূহৰ বিষয়েও সম্যক ধাৰণা লাভ কৰিব পাৰিম।

১৪.৩ পাঠ দুটিৰ উৎস আৰু আলোচনা

আপোনাৰ পাঠ্যবিষয়ত অন্তৰ্ভুক্ত 'সভ্য হবলৈ নিবেদন' আৰু 'নম্রতাই জ্ঞানৰ ফল' লেখা দুটা বিৰিঞ্চি কুমাৰ বৰুৱাই সংকলন কৰা অৰুনোদইৰ ধলফাট নামৰ গ্ৰন্থখনিৰ পৰা চয়ন কৰি অনা হৈছে। উক্ত গ্ৰন্থখনিৰ প্ৰকাশক অসম সাহিত্য সভা।পাঠ দুটিৰ আলোচনাত প্ৰবৃত হোৱাৰ পূৰ্বে দুটিমান কথা পুনৰুক্তি কৰাৰ প্ৰয়োজনীয়তা উপলব্ধ হয়। আপুনি ইতিমধ্যে প্ৰথম যান্মাসিকতে অধ্যয়ন কৰি আহিছে যে, আধুনিক অসমীয়া সাহিত্যৰ শুভাৰম্ভ হয় অৰুনোদই আলোচনীখনৰ যোগেদি। খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অসমলৈ অহা খ্ৰীষ্টিয়ান মিছনেৰীসকলে অসমৰ ভাষা বিভ্ৰাটজনিত সংকটজনক পৰিস্থিতি প্ৰত্যক্ষ কৰি তেওঁলোকৰ প্ৰধান উদ্দেশ্যতকৈ অসমীয়া ভাষা-সাহিত্যৰ পুনৰুদ্ধাৰ আৰু প্ৰচাৰৰ কাৰণেহে প্ৰথমতে অতি আন্তৰিকতাৰে কাম কৰিবলৈ ধৰিছিল। তেওঁলোকৰ এই যত্নৰ ফলত অসমীয়া সাহিত্যৰ প্ৰথম দিক্-দৰ্শনকাৰী আলোচনী অৰুনোদইৰ জন্ম হয়। উল্লেখনীয় যে, অৰুনোদইৰ লেখকসকলে আজিৰ অসমীয়াতকৈ বেলেগ আৰু সুকীয়া এক বৰ্ণ-বিন্যাস পদ্ধতি অৱলম্বন কৰিছিল। এই বৰ্ণ-বিন্যাস পদ্ধতিৰ আধাৰতে তেওঁলোকে এই আলোচনীখনৰ নামৰ বানানো অৰুনোদই বুলি লিখিছিল। ইতিপূৰ্বে প্ৰথম যান্মাসিকৰ 'অসমীয়া সাহিত্যৰ বুৰঞ্জী, লিপি আৰু শাসন অধ্যয়ন' শীৰ্ষক পাঠ্যবিষয়ৰ একাদশ অধ্যায়ত অৰুণোদয় যুগৰ পটভূমি আৰু লেখকসকলৰ বিষয়ে বিতংকৈ আলোচনা কৰা হৈছে। সেয়ে ইয়াত একেখিনি কথা পুনঃ আলোচনা কৰাৰ পৰা বিৰত থকা হ'ল, লগতে সেই পাঠটো পুনৰ পঢ়িবলৈ জনোৱা হ'ল।

আপোনাৰ পাঠ্যবিষয়ত অন্তভুৰ্ক্ত লেখা দুটিৰ প্ৰথমটো– 'সভ্য হবলৈ নিবেদন' অৰুণোদই সম্বাদ পত্ৰৰ ১৮৬১ চনৰ আগষ্ট মাহৰ প্ৰকাশিত সংখ্যাটোত প্ৰকাশ পাইছিল। এয়া আছিল কাকতখনৰ ১৬তম বছৰৰ ৮ম নম্বৰ সংখ্যা। এইখন মূলতঃ সম্পাদকলৈ লিখা এখন চিঠি। চিঠিখনৰ তলত পত্ৰলেখকৰ নাম উল্লেখ নাই, তাৰ পৰিৱৰ্তে 'নিতান্ত অনুগৃহিত, এজন স্কুলৰ ছাত্ৰ' বুলি উল্লেখ আছে আৰু স্কুলখনৰ নাম 'শিৱসাগৰ স্কুল' বুলি দিয়া হৈছে আৰু লেখাৰ তাৰিখ ৫ আগষ্ট, ১৮৬১ বুলি কোৱা হৈছে। এই চিঠিখনত উল্লেখ থকা ছাত্ৰজন কোন সেই সম্পৰ্কে সমালোচকসকলে একো কৈ যোৱা নাই।

এই অধ্যায়টোত অধ্যয়ন কৰিবলগীয়া দ্বিতীয়টো পাঠ হ'ল 'নম্রতাই জ্ঞানৰ ফল'। এই লেখাটিও আমাৰ পাঠ্যবিষয়ৰ অন্তভুক্তচিঠিখন প্ৰকাশ হোৱা সংখ্যাটোতে প্ৰকাশ পাইছিল, অৰ্থাৎ ১৮৬১ চনৰ আগষ্ট মাহৰ সংখ্যাটোতে প্ৰকাশ পাইছিল। মন কৰিবলগীয়া যে এই লেখাটোৰো লেখকৰ নাম উল্লেখ নাই। সমালোচকসকলেও কোনে লিখিছে সেয়া উল্লেখ কৰি যোৱা নাই। তথাপিতো এই লেখাটোৰ মাজত এক ধৰণৰ বিষয়বস্তুগত সামঞ্জস্য ৰক্ষিত হোৱা দেখা যায়। তলত পাঠ দুটিৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ : 'সভ্য হবলৈ নিবেদন' লেখাটো ক'ত আৰু কেতিয়া প্ৰকাশ পাইছিল?

.....

প্ৰশ্ন নং ২ : 'সভ্য হবলৈ নিবেদন' চিঠিখনৰ লেখক সম্পৰ্কে কি জনা যায়?

.....

প্ৰশ্ন নং ৩ : 'নম্রতাই জ্ঞানৰ ফল' লেখাটোৰ বিষয়ে চমুকৈ লিখা।

.....

১৪.৩.১ মূল পাঠ – 'সভ্য হবলৈ নিবেদন' আৰু 'নম্রতাই জ্ঞানৰ ফল'

সভা হবলৈ নিবেদন।

১৬ বছৰ। নম্বৰ ৮ । আগষ্ট, ১৮৬১।

শ্ৰীযুত অৰুণোদয় সম্পাদক মহাশয়েষু–

সমুচিত সন্মান পূৰ্ব্বক নিবেদনং। সম্পাদক মহাশয়, আমি দেশৰ লোকবিলাকৰ অৱস্থাৰ বিষয়ে অলপমান ৰচনা কৰি প্ৰাৰ্থিত হলোঁ, যেন আপুনি অনুগ্ৰহ কৰি অৰুণোদয় পত্ৰৰ এচুকত ছাপি দি চিৰ বাধিত কৰিব।

হায় হায় ক্ক আমাৰ অসম দেশৰ লোকবিলাক কেতিয়াকৈ নো সভ্য হ'ব? সভ্য হ'বৰ আশা থাকিব পাৰে নে? আজি প্ৰায় ৩০ বছৰমান কম্পানী বাহাদুৰ এই দেশৰ অধিকাৰ হৈ যিমান উপকাৰ কৰিছে, কিন্তু অসম দেশৰ মানুহ সেই উপকাৰৰ ফল ভোগ কৰিবলৈ চেষ্টা ন কৰি, তাক কেৱল অপকাৰ হেন জ্ঞান কৰি তাৰ পৰা মুকুত হবলৈহে সদা সৰ্ব্বদায় যতন কৰে। দেখাচোঁন গবৰ্ণমেণ্টে ইমান খৰচ কৰি লোকৰ উপকাৰ হবৰ নিমিত্তে ঠায়ে ঠায়ে স্কুল থাপন কৰিছে; কিন্তু আমাৰ মানুহে তাক উপকাৰ জ্ঞান কৰোক চাৰি, কেৱল অপকাৰহে বোধ কৰিছে। আমাৰ দেশৰ মানুহে লৰাই ইংৰাজি পৰ্হিলে জাত যায় বুলি ভয়ত স্কুলত পৰ্হিবলৈ নি দিয়ে; কিয়নো তেওঁবিলাকৰ মানত মানুহৰ জাত চুলিতহে থাকে, চুলি কাটিলেই জাত নে থাকে; আৰু ধৰ্ম্ম কাপৰত থাকে; এই কাৰণে যদি আমাৰ দেশৰ মানুহে চুৰিয়া নি পিন্ধি, ঠেঙ্গা ইত্যাদি পিন্ধে, তেনে হলে ধৰ্ম্ম নষ্ট পায়, হায় হায়, কেনে দেশ ক্ক মানুহৰ জাতি ধৰ্ম্ম চুলি আৰু কাপৰত হে থাকে। অসম দেশৰ মানুহে জাত নেথাকে বুলি লৰাক

বিদ্যা নিশিকাই; কিন্তু যেতিয়া সিৰস্তাদাৰ আৰু পেস্কাৰ সকলত ধৰি কাছাৰিত ৪/৫ টকাতে মহৰি সোমাই, তেতিয়া বা জাতটো কত থয়? সেই সময়তহে চুলিলৈ যায় হবলা। এনেকৈ হলে খ্ৰীষ্টীয়ান, বা অন্য জাতি মানুহক ছুলেও গা ধোএ, কিন্তু কাছাৰিত বৰ সাহাব জনাত হলে দোষ নাই; তেওঁ ৰজা হোয়া দেখি, সেই নিমিত্তে তেওঁৰ ছুয়া পাত অর্থাৎ ভাত খোয়া মেজ ছুই ঘৰত আহি জলপান খালেও দোষ নাই। চিঃ চিঃ ! এই দেশী মানুহ নো কেনে, যে দুটকা ৰূপলৈকে লোকৰ ভৰিত পৰে, কিন্তু হেজাৰ টকা পাবলৈকো চেষ্টা ন কৰে। চোয়াচোন, একে লগৰ বঙ্গাল দেশত কিমান উন্নতি হৈছে ! "ইয়ং বঙ্গাল" অর্থাৎ ডেকা বঙ্গালীবিলাক বৰ সভ্য ও সুশিক্ষিত, তেওঁবিলাকে এই "চুপৰষ্টিস্যন" অর্থাৎ মিছা ভ্ৰান্তিৰ পৰা কেতিয়াবাই মুক্ত হল। হে পৰম ঈশ্বৰ আমাৰ এই দুখিত অসম দেশক এই দুখিত অৱস্থাৰ পৰা কেতিয়া মুক্ত কৰিব? অসম দেশত গণক, বামুণ, মঙ্গলতী এই সকলেই অনেক প্ৰকাৰে উন্নতিৰ পথ বাধা কৰিছে; কিয়নো তেওঁবিলাকে "গ্ৰহৰ দোষ, বুৰা ডাঙ্গৰিয়াৰ দোষ," এই বুলিয়েই মিছা মিছিকৈ ফাঁকি দি খাই। সেই সকল গুচিলেই তেও অলপ ভাল হোয়াৰ আগন্তুক থাকে। তেওঁবিলাকে লৰাই ইংৰাজি পৰ্হিলে বাপেক মাকৰ পিণ্ড নিদিএ বুলি কয়; কিন্তু যিবিলাকে যি দুটী এটী পিণ্ড দিবলৈ বৰ আশা কৰি থয়, সেই লৰাৰ বা কি গতি হয়, আৰু বাপেক মাকৰ নো কেনেকৈ পিণ্ড দিয়ে, তাক কানীয়াৰ কীর্তন পর্হা সকলেই জানিছে। তেও ইমানতো কইহে, বোলে, ইংৰাজি পৰ্হিলেই জাত যায়; কি মিছা ভ্ৰান্তি একা? ইংৰাজি পৰ্হিলে বা কিমান জ্ঞানী হই, তাক পর্হা সকলেহে জানে; তেওঁবিলাকে বুৰা ডাঙ্গৰিয়া, জলখাই ডাঙ্গৰিয়া, শণিৰ দোষ, মঙ্গলৰ দোষ, তুলশি গছ, সালেগ্ৰাম আৰু ভুত পিশাচ, এই সকল পাপক নে মানে। কিন্তু অতি উৎকৃষ্ট ধর্ম্মক অবলম্বন কৰে; লোকৰ দুখত উপকাৰ কৰি, যেত মাশনব-লিলা সম্বৰণ কৰে। কিন্তু বিদ্যাহীন সকলে এই ধর্ম্ম আশ্ৰয় লব নোৱাৰি, প্ৰায় চোৰ, ডকাইত, ফাঁকি, আৰু ঠগবাজ হয়; তেনে হলে তাৰ কি ধর্ম্ম থাকিল? কিন্তু আজি কালি সকলো গৈ চুলিতহে মাত্ৰ জাতটো আছে, তাক যেয়ে কাটে তাৰ জাত যায়। আহ, বিদ্যাৰ কি গুণ ! বিদ্যাৰ গুণ যদি এই দেশত অলপ বিস্তাৰিত হবলৈ পায়, তেনে হলে ময় ঠিক কৰি কব পাৰোঁ, ঘোৰাৰ নেজৰ নিচিনা চুলিত জাত বান্ধি ন থব, আৰু তাৰ গুণেৰেই অন্যবোৰ মিছা ভ্ৰান্তিৰ পৰা উদ্ধাৰ হৈ সত্য পৰম ঈশ্বৰক ভক্তি কৰি কেনে সুখেৰে কাল নিয়াব পাৰিব ! এতেকে, হে অসম দেশৰ যুবা সমূহ সকল, তোমালেকে বিদ্যা স্বৰূপ ৰত্নৰ অলপ ভাগ পাইছা; সেই নিমিত্তে তোমালোকক হাত যোৰকৈ জনাওঁ, যেন তোমালোকে এই বিদ্যাৰ গুণকে প্ৰকাশ কৰি আৰু অন্য সকলকো তালৈ পথ দেখুয়াহঁক; তোমালোকে এনে ন কৰিলে, আগৰ বুঢ়া সকলৰ পৰা এই জন্মত কেতিয়াও ভৰসা কৰিব নোয়াৰি। ইয়াকে নিবেদন কৰোঁ।

শিৱসাগৰ স্কুল, নিতান্ত অনুগৃহিত
৫ আগষ্ট, ১৮৬১ এজন স্কুলৰ ছাত্ৰ।

নম্রতাই জ্ঞানৰ ফল।

১৬ বছৰ। নম্বৰ ৮ । আগষ্ট, ১৮৬১।

কোনো এক সময়ত এটা ডেকা গঁফাল মানুহে এজনা অতি জ্ঞানী বুৰাক আলি বাটত লগ পালে; তাত ডেকাই অতি অহঙ্কাৰেৰে আপোনাৰ মুৰ থিয়কৈ বাটত ফুৰি আছিলে, কিন্তু সেই বৃদ্ধ জনাই হলে মুৰ দোঁৰাই ফুৰি গৈছিল। তেতিয়া ডেকাটে সেই বুৰাৰ আগত এই কথা ক'লে, বোলে, হেৰা আতা, তুমি কি কাৰণে আপোনাৰ মুৰ তললৈ ফুৰিছা? তেতিয়া বুৰাই মূৰ দাঙ্গি তাক এই উত্তৰ দি

বুলিলে, হে ডেকা, তুমি বাটৰ কাখৰত থকা ঘেঁহু ধান দেখিছা নে? তাতে ডেকাটে সমিধান দি ক'লে, হয়, আতা, দেখিছোঁ। বুৰাই শুধিলে, তেন্তে তুমি সেই ঘেঁহু ধানবোৰৰ কোনো কোনোৰ থোক দাঙ্গ খায় থকা, আৰু কোনো কোনোবোৰ থোকক তললে মুৰ দোঁৱাই থকা দেখিছা, ন হয় নে? বাৰু, তাৰ যি কাৰণ, তাক কওঁ শুনা; যিবোৰ থোকত গোট নাই পতানহে, সেইবোৰ থিয়ৈ থাকে, কিন্তু যিবোৰত গোট আছে, সেইবোৰ থোকেই তললৈ মুৰ দোঁৱাই থাকে। ইয়াকে কৈ সেই বুৰা মানুহ জনাই ডেকাক চালাম দি বিদায় লৈ গুচি গ'ল। তাতে সেই ডেকাও সেই কথাত অতিশয় লাজ পায় গুচি গল। এয়ে ঠিক কথা, আৰু ইয়াত এটা উত্তম উপমাও আছে। দেখা, যি জনৰ অধিক জ্ঞান আছে, সেই মানুহেই নম্ৰ। যি মানুহৰ ঘৰত বিস্তৰ সোণ থাকে, যি আপোনালৈ কাঁহৰ বা পিতলৰ অলঙ্কাৰ গৰ্হাই, তাৰ ওপৰত ৰাঙ্গ পাতা লগাই সোভা ন কৰাব; যি নদীৰ পানী দ, সেই পানী নিসমৰ ৰূপে ধীৰে ধীৰে বৈ যায়; কিন্তু যাৰ পানী তৰাঙ্গ, সেই নদীতহে তর্জন গর্জনৰ কোলাহল শুনি। পৃথিবীৰ মাঝত আটাইতেকৈ যত যত প্ৰধান প্ৰধান দেশ আছে, সেই সেই দেশবিলাকৰ ৰজাই প্ৰায় একো অহঙ্কাৰ নে দেখাই; কিন্তু যি যি ৰজাবিলাকৰ ৰাজ্য সৰু, অর্থাৎ যিবিলাক কেৱল নামেৰেহে ৰজা, এনে ৰজা সকল যেতিয়া যেতিয়া ফুৰিবলৈ ওলাই যায়, তেতিয়া সিবিলাকে আপোনাৰ পাছত লা লস্কৰ, সেনা সেনাপতি লয়, আৰু আগতো কালী ভেঁৰি আদি অনেক বাদ্যেৰে বাদ্য কৰে, আৰু আপুনি হাঁতিত উঠি, গা ঘেলাই ঘেলাই ময় পৃথিবী খনৰে ৰজা হেন জ্ঞান কৰি, প্ৰজাবিলাকৰ আগত আপোনাকে কোনো এক মহা দেৱতা যেন প্ৰখ্যাত কৰে। যেতিয়া কোনো দুখিয়া মানুহৰ লৰাই গোটা চাৰেক পয়চা পায়, তেতিয়া সি তাত অতিশয় ৰঙ্গ কৰি তাৰ লগৰ আন আন লৰাৰ আগত সেই কথা কৈ বৰ হায় পাতে; কিন্তু যাৰ লাখ লাখ টকা থাকে, সি কেতিয়াবা হেজাৰ টকা পালেও অলপ হেনহে জ্ঞান কৰে। যেনেকৈ কোনো এটা বৰ পিপাত একলহ মান পানী ভৰাই তাক জোকৰাত, সি তাকৰিয়া পানীৰ কাৰণে খলকনি খায় বৰকৈ শবদ কৰে, কিন্তু তাক পানীৰে নিশ্চেইকৈ ভৰাই জোকাৰিলে, সি একো শবদ নকৰিব; কিয়নো খলকনিৰ শবদ হবলৈ তাৰ ভিতৰত ঠায়েই নাই। এই ৰূপে সকলো কথা হৈছে; যি মানুহ ডাঙ্গৰ, আৰু জ্ঞানৱন্ত, যাৰ নিশ্চেই উত্তম মন থাকে, সি আপোনাক বৰ বোলাই নু ফুৰে, আৰু একো গঁফ অহঙ্কাৰো ন কৰে; কিন্তু যি মানুহ একো নহৈও আপোনাৰ মান্য আপুনি যদি বিচাৰি ফুৰে, সি ভুলহে কৰে; কিয়নো তাৰ নিচিনা অজ্ঞানীএ যদি কেতিয়াবা তাক সেৱা সতকাৰ কৰেও, তেও জ্ঞানী লোকে তাক অকল হেলা কৰি বুলিব, অস, সি বৰ গঁফাল মানুহ ৰু সি আপোনাক কোনো এক মহত লোক হেন ভাবে, গঙ্গা টোপৰ দৰে, সি আপোনাকে আপুনি ডাঙ্গৰটো কৰে ৰু আমি তাৰ সঙ্গ কেনেকৈ লম? এই ৰূপে জ্ঞানী আৰু ভদ্ৰ লোকৰ মাজত এনে বিধ লোক কেৱল হেলাৰ পাত্ৰহে হয়; ভাল মানুহে তাক কেতিয়াও সমাদৰ নকৰে।

আৰু বিবেচনা কৰি চালে, কাৰণ ওলাই; দেখা, যি মানুহে আপোনাকে জ্ঞানী বুলি বখানে আৰু সেই ৰূপ হৈছোঁ বুলি আপোনাক মানেও, সি আৰু অধিক জ্ঞানলৈ কার্ব্বৰ ন কৰে; ময় আটাই জ্ঞানকে পালোঁ হেন ভাবি, এলাহতে থাকে। তাত বাঝে সি আপুনি কেনে ডাঙ্গৰ মানুহ, আৰু কেনে জ্ঞানী হৈছে, আৰু লোকৰ পৰা সি কেনে সেৱা সত্কাৰ পাবৰ যোগ্য, এই ৰূপে আপোনাৰ কথাকে আপোনা আপুনি ভাবি চিন্তি থাকিয়েই তাৰ আয়ুষৰ কাল নিওয়াত, নকৈ জ্ঞান আর্জিবলৈ তাৰ কালেও নো জোৰে। জ্ঞানৰ হলে সীমাও নায়; জ্ঞান অধিক পালেও, আৰু অসংখ্যা জ্ঞান পাবলৈ আছে, এই কথা সকলোএ ভাবিবৰ উচিত। নিউটন নামেৰে এজন ইংৰাজীৰ বৰ জ্ঞানৱন্ত চাহাব আছিল।

তেওঁৰ সদ গুণ আৰু জ্ঞানৰ নিমিত্তে তেওঁৰ নাম গোটেই জগততে প্ৰখ্যাত হৈছে; তথাপী তেওঁ আপেনাৰ বৃদ্ধ কালত এই কথা কৈছিলে, বোলে, জ্ঞান ৰূপ মহা সাগৰৰ তিৰতহে ফুৰি ময় তাৰ পৰা কিছু সৰু সৰু শিল বিচাৰি পায় সাঁচিলো; কিন্তু জ্ঞান ৰূপ অপাৰ সমুদ্ৰৰ শোতৰ ঢৌ মোৰ আগত বৈয়ে আছে !

পাঠক সমূহে ইয়াকে বিবেচনা কৰি দেখোক, নম্ৰতাই জ্ঞানৰ ফল ন হয় নে? এয়ে স্বৰূপ কথা; ইয়াক কেৱে নুই কৰিব নোয়াৰে। বিলাতৰ জ্ঞানৱন্ত লোকৰ মাঝত ই নিশ্চেই প্ৰমানীক হয়।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ : 'সভ্য হবলৈ নিবেদন' চিঠিখনত অসমীয়া সমাজৰ উন্নতিৰ অন্তৰায় হিচাপে কাক দোষাৰোপ কৰা হৈছে?

.....

.....

.....

প্ৰশ্ন নং ৫ : 'সভ্য হবলৈ নিবেদন' লেখাটোৰ মূল বক্তব্য কি?

.....

.....

প্ৰশ্ন নং ৬ : 'নম্ৰতাই জ্ঞানৰ ফল' লেখাটোত ঘেঁহুৰ থোকৰ উপমাৰ জৰিয়তে কি বুজাব বিচৰা হৈছে?

.....

.....

প্ৰশ্ন নং ৭ : 'নম্ৰতাই জ্ঞানৰ ফল' লেখাটোত নিউটনৰ উক্তিৰ তাৎপৰ্য কি?

.....

.....

১৪.৪ লেখা দুটিৰ সাধাৰণ আলোচনা

আপুনি ইতিমধ্যে প্ৰথম যান্মাসিকতেই অৰুণোদয় যুগৰ সাহিত্য, ঐতিহাসিক আৰু সামাজিক পটভূমিৰ বিষয়ে কিছু ধাৰণা লাভ কৰি আহিছে আৰু তাৰেই আধাৰত এই সংবাদপত্ৰ-কাকতখনে যে বিভিন্ন বিষয় সম্বলিত প্ৰবন্ধ-পাতি, লেখা প্ৰকাশ কৰিছিল সেই বিষয়েও এক নিশ্চিত ধাৰণা লাভ কৰিছে। আপোনাক এই কথা এতিয়া বিস্তৃতভাৱে নক'লেও চলে যে অসমলৈ যি উদ্দেশ্য আৰু লক্ষ্যক সাৰোগত কৰি বেপ্তিষ্ট মিছনেৰীসকল আহিছিল, কম-বেছি পৰিমাণে সেইবোৰৰ প্ৰতিফলনেই এই

কাকতখনত প্রকাশিত লেখা-মেলাবোৰৰ মাজেৰে ঘটিছিল। মহেশ্বৰ নেওগৰ মতে অৰুনোদইৰ পাতত 'পৃথিৱীৰ চাৰিও খুটিৰ' বিষয়-সম্বলিত প্রবন্ধ প্রকাশ পাইছিল আৰু তাৰ লগে লগে অসমীয়া জাতীয় জীৱনৰ একো একোখন ছবিও ফুটি উঠিছিল। তেওঁৰ ভাষাত– "এই কাকত অসমত স্থান লোৱা আমেৰিকান বেপ্তিষ্ট মিছনেৰীৰ মুখপত্র। গতিকে মিছনৰ বাচ্য আৰু বক্তব্য 'অৰুনোদই'ৰ যোগে নি(য়ে প্রকাশ হ'বলগীয়া। কিন্তু তাতেই মিছনে কাকতখনৰ কাম শেষ হ'বলৈ নিদি পৃথিৱীৰ নানা 'ধৰমৰ কথা-বাত্রা', নতুন-নতুন জ্ঞান-বিজ্ঞানৰ বিৱৰণ আৰু পৃথিৱীৰ প্রাচীন আৰু নব্য ঘটনাৱলীৰ সম্ভেদ এই মাসিক পত্রিকাৰ সম্বল কৰি দিছিল। প্রোটেষ্টাণ্ট × খ্রীষ্ট ধর্ম প্রচাৰৰ কাৰণেই মিছনেৰীসকল অসমলৈ আহিছিল। সেই ধর্ম জগতৰ বাতৰি প্রচাৰ, সেই ধর্মৰ স্তুতি-পাঠ আৰু সেই ধর্মৰ শ্রেষ্ঠত্ব প্রতিপাদন অৱশ্যেই তেওঁলোকৰ কর্তব্যৰ ভিতৰত। কিন্তু তাকেই তেওঁলোকে একমাত্র কর্ম বুলি নলৈ অসম দেশত জ্ঞানৰ প্রচাৰত ব্রতী হৈছিল আৰু আধুনিক ধাৰাত অসমীয়া পাঠকসকলৰ মানসিক দিগন্তৰ প্রসাৰ ঘটাইছিল।" আপোনাৰ সংশ্লিষ্ট পাঠ্যাংশৰ লেখা দুটিৰ বিষয়বস্তু তেনে এক ধাৰাৰ বিশিষ্ট চানেকি। প্রথমে পাঠ দুটাৰ মূল বিষয়বস্তু সম্পর্কে চমুকৈ আলোচনা কৰি লোৱা যাওক।

ইতিমধ্যে উল্লেখ কৰা হৈছে যে ইয়াৰ প্রথমটো পাঠ সম্পাদকলৈ লিখা এখন পত্র। এই চিঠিখনত বৈষ্ণৱী বিনয়েৰে, সংস্কৃতিয়া ঠাঁচেৰে আৰম্ভ কৰা হৈছে – "শ্রীযুত অৰুণোদয় সম্পাদক মহাশয়েষু– সমুচিত সন্মান পূর্ব্বক নিবেদনং।" ইয়াত পত্রাকাৰে অসম দেশৰ সর্বসাধাৰণ ৰাইজ কেতিয়াকৈ সভ্য হৈ উঠিব সেই বিষয়ে শংকা প্রকাশ কৰি ক'ব বিচাৰিছে যে অসম দেশ কোম্পানীৰ অধীনলৈ যোৱা প্রায় ৩০ বছৰমান হ'ল। তেওঁলোকে অসমীয়া মানুহৰ মাজত জ্ঞানৰ পোহৰ বিলাবৰ বাবে ইংৰাজী মাধ্যমৰ স্কুল স্থাপন কৰি সকলোকে পঢ়াৰ সুবিধা কৰি দিছে যদিও অসমীয়া ৰাইজে 'জাত যোৱা'ৰ ভয়ত ইংৰাজী পঢ়িবলৈ নহাৰ বাবে তেওঁ খেদ প্রকাশ কৰিছে। পত্রলেখকে ব্যংগাত্মকভাৱে উত্থাপন কৰিছে যে– অসমীয়া মানুহৰ জাত চুলিত থাকে আৰু ধর্ম পিন্ধা কাপোৰতহে থাকে। মন কৰিবলগীয়া যে সেই সময়ছোৱাত অসমীয়া মানুহে চুলি দীঘলকৈ ৰখাৰ পৰম্পৰা আছিল আৰু চুৰিয়া পিন্ধিছিল। কিন্তু ইংৰাজী মাধ্যমৰ স্কুলসমূহত নামভর্ত্তিৰ্ কৰিলে চুলি চুটিকৈ কটোৱাব লাগিছিল তথা চুৰিয়াৰ পৰিৱর্তে পেণ্ট [ঠেঙ্গা] পন্ধিব লাগিছিল। ইয়াৰ বাবেই অসমীয়া মানুহে ইংৰাজী পঢ়িবলৈ গলে জাত যাব বুলি ল'ৰা-ছোৱালীক ইংৰাজী স্কুলত পঢ়িবলৈ নপথাইছিল। ইয়াৰ পাছতে পত্রলেখকে প্রশ্ন তুলিছে যে ছ্রযপ্ত টকাত যেতিয়া অসমীয়া লোকসকলে চিৰস্তাদাৰ, পেস্কৰ আদিক কাওবাও কৰি মহৰি হিচাপে সোমাই তেতিয়াতো তেনে কাপোৰেই পিন্ধিব লাগে; তেতিয়া জাত নাযায় নেকি? এনেয়ে অসমীয়া লোকসকলে খ্রীষ্টীয়ান বা অন্য মানুহে চুলে চুৰা লাগে বুলি গা-ধুৰে, কিন্তু কাছাৰিত বৰচাহাবে খোৱা পাত চুই আহিও ঘৰত গা-নুধুৱাকৈ জলপান খাব পাৰে। ব্যংগ্যাত্মকভাৱে কৈছে যে 'তেওঁ ৰজা' হোৱা বাবে চুৰা নালাগে নেকি? অসম দেশৰ বাসিন্দাসকলে নিজৰ আর্থিক অৱস্থা উন্নতিৰ বাবে কষ্ট কৰিব নোখোজে, দুটকা পাবলৈ ভৰিত পৰিব কিন্তু হাজাৰ টকা ঘটিবলৈ চেষ্টা নকৰে। প্রসংগক্রমে পত্রাকাৰে ডেকা বেংগলীসকলৰ প্রসংগ টানি আনি কৈছে যে তেওঁলোকে এনে ধৰণৰ অন্ধবিশ্বাস আঁতৰ কৰাৰ বাবেই উন্নতিৰ মুখ দেখিছে। পত্রাকাৰে সেই বাবেই "হে পৰম ঈশ্বৰ আমাৰ এই দুখিত অসম দেশক এই দুখিত অৱস্থাৰ পৰা কেতিয়া মুক্ত কৰিব?" বুলি প্রার্থনা জনাইছে।

মন কৰিবলগীয়া যে অসমীয়া ৰাইজৰ এনে অৱস্থাৰ মূল অন্তৰায় হিচাপে তেওঁ গণক, বামুণ, মঙ্গলতী আদিক দোষাৰোপ কৰিছে। কিয়নো তেওঁলোকে "গ্ৰহৰ দোষ, বুৰা ডাঙৰিয়াৰ দোষ," এই বুলিয়েই মিছা মিছিকৈ ফাঁকি দি খাই আৰু এইবোৰ আঁতৰাব পাৰিলেহে দেশৰ অৱস্থা ভাললৈ আহিব বুলি মন্তব্য আগবঢ়াইছে। এইসকলে ৰাইজৰ বুজায় বোলে যে ল'ৰাই ইংৰাজী পঢ়িলে মাক-বাপেকৰ পিণ্ড নিদিব। ইয়াতে পত্ৰাকাৰে হেমচন্দ্ৰ বৰুৱাই লিখা কানীয়াৰ কীৰ্তন নাটকখনৰ প্ৰসংগ টানি আনি কৈছে যে যিসকলে পিণ্ড দিব বুলি ভাবি ল'ৰাক ইংৰাজী স্কুললৈ নপঠাই তেওঁলোকৰো জীৱনত নাটকখনত উল্লেখ থকা ধৰণৰ ঘটনা সংঘটিত হ'ব পাৰে। এই নাটকখনত কানীয়াই কেনেদৰে অশিষ্ট ধৰণে মাক-বাপেকৰ পিণ্ড দিছিল সেয়া উল্লেখ আছে বাবেই পত্ৰাকাৰে সেই প্ৰসংগ টানি আনিছে। ইংৰাজী পঢ়িলে জাত যোৱাৰ পৰিৱৰ্তে যে জ্ঞানী হ'ব পৰি সেই কথাত যোৰ দি কৈছে যে– 'বুৰা ডাঙৰিয়া, জলখাই ডাঙৰিয়া, শণিৰ দোষ, মঙ্গলৰ দোষ, তুলশি গছ, সালেগ্ৰাম আৰু ভুত পিসাঁচ" আদিক বিশ্বাস কৰাৰ পৰিৱৰ্তে ইংৰাজী শিক্ষাৰে শিক্ষিত হ'লে অতি উৎকৃষ্টভাৱে জীৱন নিৰ্বাহ কৰিব পাৰি। কিন্তু বিদ্যাহীনসকলে "প্ৰায় চোৰ, ডকাইত, ফাঁকি, আৰু ঠগবাজ হয়"। সেই বোৰত জানো ধৰ্ম থাকে? পত্ৰাকাৰে নিজে ইংৰাজী শিক্ষাৰে শিক্ষিত হৈ ক'ব বিছাৰিছে যে – ঘোঁৰাৰ নেজৰ দৰে চুলিত জাত বান্ধি নথৈ বিদ্যা আহৰণ কৰি মিছা ভ্ৰান্তিৰ পৰা উদ্ধাৰ হৈ সত্য, পৰম ঈশ্বৰক ভক্তি কৰি সুখেৰে দিন কটাব পৰি। সেয়ে তেওঁ অসমীয়া ডেকাসকলক এই ক্ষেত্ৰত উদ্বোধ হৈ আগবাঢ়ি আহিবলৈ অনুৰোধ জনাইছে, কাৰণ তেওঁ অনুভৱ কৰিছে যে বুঢ়াসকলে এই কৰ্মত কেতিয়াও হাত উজান নিদিয়ে।

এতিয়া আমি দ্বিতীয়টো পাঠৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ আলোচনা কৰি লওঁ, তাৰ পাচত দুয়োটা পাঠৰে বিবিধ দিশ সম্পৰ্কে আলোচনা আগবঢ়াম। আমাৰ পাঠ্যবিষয়ৰ অন্তৰ্গত 'নম্ৰতাই জ্ঞানৰ ফল' লেখাটো মূলতঃ এটি উপদেশমূলক ৰচনা। ইয়াত সৰু সৰু কেইটামান উপমাৰ জৰিয়তে জ্ঞানীজন কেনেদৰে নম্ৰ হৈ পৰে সেই বিষয়ে আলোচনা কৰিছে। লেখাটোৰ আৰম্ভণিতেই বাটত বুকুফিন্দাই ঘূৰি ফুৰা ডেকা এজনে তলমূৰকৈ গৈ থকা বুঢ়া ব্যক্তি এগৰাকীক কিয় মূৰ দোৱাই খোজ কাঢ়ি আছে বুলি এটি প্ৰশ্ন সোধে। ইয়াৰ উত্তৰত বুঢ়া গৰাকীয়ে বাটৰ কাষত থকা ঘেঁহুৰ থোকৰ প্ৰসংগ টানি আনি উত্তৰ দিয়ে যে ভৰুণ থোক সদায় দো খায়েই থাকে, পতান থকাবোৰে হে ওপৰলৈ দাং খাই থাকে। তেওঁৰ উত্তৰ শুনি ডেকাজনে অতিশয় লাজ পায়। এই উপমাটোৰ জৰিয়তে লিখকে বুজাব বিচাৰিছে যে জ্ঞানীজন সদায়েই নম্ৰ। ইয়াৰ পাচতে তেওঁ বিভিন্ন উপমা দিছে– সোণ বেছিকৈ থকা মানুহে কেতিয়াও কাঁহ-পিতলত সোণপানী চৰোৱাই নেদেখুয়াই, তাৰং পানীৰ সোঁত বেছি, ডাঙৰ ৰজাসকলে ৰাইজক দেখুৱাই চমক লগাবলৈ কোনো কাম নকৰে, কোনো দুখিয়া মানুহে কম টকা পাই বেছি হৈ-চৈ লগায়, কিন্তু ধনীয়ে তেনে নকৰে; ভৰা কলহৰ শব্দ কম ইত্যাদি। এই উপমাবোৰৰ মাজেদি লেখকে মূলতঃ প্ৰকৃত জ্ঞানীজন যে নম্ৰতাৰে ভূষিত হয় তাকেই প্ৰমাণ কৰিব বিচাৰিছে। জ্ঞানৱন্তজনে কেতিয়াও বৰ মানুহ বোলাই নুফুৰে আনহাতে অজ্ঞানীয়ে নিজকে জহাই ফুৰে, গপতে গঙ্গাটোপ যেন হৈ থাকে। তেনে মানুহ হেলাৰ পাত্ৰহে হয়। লেখকে ইয়াতেই বিশিষ্ট বিজ্ঞানী নিউটনে কোৱা কথা এষাৰ – "জ্ঞান সাগৰত তীৰহে ফুৰি তাৰ পৰা সৰু শিল সংগ্ৰহ কৰিহে সাঁচিছে, সন্মুখত জ্ঞান সমূদ্ৰ বৈয়েই আছে।" উল্লেখ কৰি জ্ঞান আহৰণ যে শেষ নাই সেই কথা দোহাৰিছে। লিখনিটোৰ শেষৰ দফাটোত লেখকে সেই বাবেই পাঠকক গোটেইখিনি কথা বিবেচনা কৰি 'নম্ৰতাই জ্ঞানৰ ফল ন হয় নে?" ঠাৱৰ কৰিবলৈ

কৈছে। তেওঁৰ মতে এয়াই জ্ঞানৰ স্বৰূপ আৰু কোনেও নুই কৰিব নোৱাৰে আৰু বিলাতৰ জ্ঞানলোকৰ মাজত এয়াই প্রমাণ স্বৰূপ।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ : 'সভ্য হবলৈ নিবেদন' লেখাটোত অসমীয়া সমাজৰ কোনবোৰ কুসংস্কাৰৰ সমালোচনা কৰা হৈছে?

.....

.....

.....

প্রশ্ন নং ৯ : 'সভ্য হবলৈ নিবেদন' লেখকজনে অসমীয়া ডেকাসকলক কি আহ্বান জনাইছে?

.....

.....

প্রশ্ন নং ১০ : 'নম্রতাই জ্ঞানৰ ফল' লেখাটোত ব্যৱহৃত দুটা উপমা উল্লেখ কৰি ইয়াৰ তাৎপর্য লিখা।

.....

.....

প্রশ্ন নং ১১ : 'নম্রতাই জ্ঞানৰ ফল' লেখাটোৰ মূল শিক্ষা কি?

.....

.....

ইতিমধ্যে আমি আমাৰ আলোচ্য পাঠ দুটিৰ বিষয়বস্তু সম্পর্কে অৱগত হ'লো। এতিয়া ইয়াৰমাজত সমসাময়িক অসমীয়া সমাজ জীৱনে কেনেদৰে ভূমুকি মাৰিছে আলোচনা কৰা যাওক। আপুনি নি(য়ে জানে যে মানৱ অভিজ্ঞতা অৱধাৰিত হয় সমাজ আৰু সংস্কৃতিৰ দ্বাৰা। সাহিত্যৰ দ্বাৰা এটা জাতিৰ সামাজিক-সাংস্কৃতিৰ পৰিচয়ৰ পূর্ণ প্রতিফলন ঘটে। ইয়াৰ আধাৰতেই ক'ব পাৰি যে অৰুনোদই আলোচনীৰ পাতত প্রকাশ পোৱা বিবিধ লেখাবোৰৰ মাজেদিও তদানীন্তন অসমীয়া সমাজ-জীৱনৰ সুপ্রকাশ ঘটিছে। বেপ্টিষ্ট মিছনেৰীসকলে খ্রীষ্ট ধর্ম প্রচাৰৰ উদ্দেশ্যক সৰোগত কৰি অসমলৈ আহি প্রথম উপায় হিচাপে এই আলোচনীখনৰ প্রকাশ কৰিলে যদিও তেওঁলোকৰ কাম-কাজ সেই সীমাতে আবদ্ধ নাথাকিল। আলোচনীখনত উলিয়াবলৈ লোৱা প্রতিটো লেখাতে তেওঁলোকে প্রত্যক্ষ কৰা অসমৰ তেতিয়াৰ সমাজখনকো দাঙি ধৰিবলৈ প্রয়াস কৰিলে। মিছনেৰীসকলে অসমৰ সমাজ ব্যৱস্থাৰ মংগল চিন্তাৰ প্রধান মাধ্যমৰূপে এই আলোচনীখনক গঢ় দিলে আৰু নতুন নতুন দিগন্তপ্রসাৰী চিন্তাৰে সমৃদ্ধ লেখা প্রকাশ কৰি অসমীয়া পাঠকৰ বাবে জ্ঞানৰ ভঁৰাল মুকলি কৰি দিলে। মিছনেৰীসকলে অৰুনোদই

কাকতৰ যোগেদি অসমীয়া জন-মানসক দেশ-বিদেশৰ বাতৰি যোগোৱাৰ উপৰি অসমৰ ইতিহাস, অর্থনীতি, সমাজ নীতি, শিক্ষা, যাতায়ত, পৰিবহণ আৰু অনেক বিষয়ৰ ক্ষেত্রত বিভিন্ন কথা জনাইছিল। লগতে সমাজ সংশোধনৰ উপায় স্বৰূপে কাকতখনে শিক্ষাৰ প্রচাৰৰ পোষকতা কৰিছিল। অসমীয়া সমাজৰ পৰা অজ্ঞানতা আৰু কেৰোণবোৰ নাইকিয়া কৰি অসমীয়া সমাজ আৰু জন-জীৱনক নব্য-জীৱনৰ ফেহুজালিৰ ৰঙীন আভা দেখুৱাবলৈও প্রয়াস কৰিছিল। আপুনি নি(য়ে এতিয়া অনুধাৱন কৰিবলৈ সমর্থ হৈছে যে আপোনাৰ অধ্যয়নৰ বাবে নির্দিষ্ট কৰি দিয়া 'সভ্য হবলৈ নিবেদন' শীর্ষক পাঠটিত অৰুনোদই কাকতৰ পৃষ্ঠপোষক আৰু লেখক গোষ্ঠীৰ এই সামাজিক দৃষ্টিভংগীয়েই নিহিত আছে।

আমাৰ আলোচ্য প্রথমটো পাঠ, অর্থাৎ সম্পাদকলৈ লিখা চিঠিখনৰ মাজেদি ইংৰাজী শিক্ষাৰ গুৰুত্ব আৰু অসমীয়া সমাজ জীৱনত চলি থকা কেৰোণবোৰ আঙুলিয়াই দিছে। লেখাটোৰ মাজতে অসমীয়া মানুহৰ দ্বিধাগ্রস্ত ধর্মীয় পৰম্পৰাৰ কিছু কথাও আলোকপাত কৰা হৈছে, লগতে সেই সময়ত যে অসমীয়া সমাজ কানি বৰবিহৰ গ্রাহত পৰিছিল সেই কথাৰো উল্লেখ আছে। সমসাময়িক সময়ৰ সাহিত্য চর্চাৰ প্রসংগ [কানীয়াৰ কীর্তন নাটকখনৰ প্রসংগ] টানি আনি সেই কথা উনুকীয়াই গৈছে। ঠিক সেইদৰে সেই সময়ত যে অসমীয়া মানুহে চুলি দীঘলকৈ ৰাখিছিল, চুৰিয়া পিন্ধিছিল যদিও কাছাৰীত কাম কৰা সকলে সেয়া পৰিহাৰ কৰিছিল; সমাজত প্রচলিত পূজা-পাতল, অন্ধবিশ্বাস ["বুৰা ডাঙ্গৰিয়া, জলখাই ডাঙ্গৰিয়া, শণিৰ দোষ, মঙ্গলৰ দোষ, তুলশি গছ, সালেগ্রাম আৰু ভুত পিসাঁচ"], পিণ্ডাদি তর্পণ, জাত যোৱাৰ কথা আদিৰ কথা; গণক, বামুণ, মংগলতী আদি সকলৰ ধাৰণা আদিও উল্লেখ আছে। ইয়াৰ লগতে তেওঁ বঙালী ডেকাসকলৰ লগত কৰা তুলনাৰ পৰা অসমীয়াসকল যে ইংৰাজী বিদ্যা অহৰণত তেওঁলোকতকৈ কিছু পিছ পৰি আছিল সেই কথাৰ উমান পাওঁ। প্রসংগত উল্লেখ কৰি যাব পাৰি যে সেই সময়টো যে চোৰ, ডকাইত, ফাঁকি আৰু ঠগবাজ মানুহ আছিল তাৰো উল্লেখ পাওঁ। তদুপৰি টকা-পইচাৰ কথা উল্লেখৰ পৰা সর্বসাধাৰণ অসমীয়া মানুহৰ আর্থিক দিশটো যে বৰ সবল নাছিল তাৰো ধাৰণা লাভ কৰোঁ। আনহাতে দ্বিতীয়টো লেখা সম্পূর্ণৰূপে এটি উপদেশমূলক লেখা। ইয়াত পোনে পোনে কোনো ধৰণৰ অসমীয়া সমাজ জীৱনৰ উল্লেখ পোৱা নাযায়। তথাপিতো কলহৰ উল্লেখ, কালী, ভেঁৰী আদি বাদ্যযন্ত্রৰ উল্লেখ আদিয়ে সেইবোৰ যে তদানীন্তন সময়ত অসমত প্রচলিত আছিল তাৰ প্রমাণ দিয়ে। এই লেখাটোত 'ঘেঁহু ধান'ৰ প্রসংগ উল্লেখ আছে। মন কৰিবলগীয়া যে সেই সময়ত অসমত ঘেঁহুৰ খেতি প্রায় নাছিলেই; সেই বাবে অনুমান কৰিব পাৰি যে এয়া কোনো ভাৰতীয় ভাষাৰ পৰা অসমীয়ালৈ কৰা অনুবাদৰ প্রভাৱ।

এনেদৰে বিচাৰ কৰি চালে দেখা যায় যে দুয়োটা লেখাতে কম-বেছি পৰিমাণে তদানীনন্তন অসমীয়া সমাজখনে ভূমুকি মাৰিছে আৰু অসমীয়া সমাজত শিক্ষাৰ পোহৰেৰে জ্ঞানী কৰি তুলিবলৈকে অৰুনোদই কাকতত এই দুটা লেখা প্রকাশ কৰিছিল।

এতিয়া আমাৰ আলোচ্য পাঠ দুটিৰ আধাৰত অৰুনোদই কাকতৰ গদ্যশৈলী আৰু বর্ণ বিন্যাস ৰীতি সম্পর্কে চমুকৈ আলোকপাত কৰা যাওক।

অসমীয়া গদ্য ৰীতিৰ চহকী ঐতিহ্যৰ ধাৰণাটোত অৰুনোদই কাকতত ব্যৱহৃত গদ্যই এক বিশিষ্ট অৱদান আগবঢ়াইছিল। ভট্টদেৱৰ দিনত আৰম্ভ হোৱা অসমীয়া গদ্যই বিভিন্ন স্তৰ অতিক্রম কৰি বুৰঞ্জীৰ গদ্যত এটি ৰূপ লোৱাৰ অব্যৱহিত পিছৰ কালতেই মিছনেৰীসকলৰ অসমলৈ আগমন

ঘটে। গতিকে তেওঁলোকৰ গদ্যৰ ৰীতিত অসমীয়া প্রচলিত গদ্যৰ, বিশেষকৈ বুৰঞ্জীৰ গদ্য আৰু তাৰো আগৰ চৰিত সাহিত্যৰ গদ্যৰ চলতি ৰূপৰ প্রতিধ্বনি দেখা যায়। ইয়াৰ উপৰি অসমৰ কথিত ভাষাৰ বিভিন্ন উপাদানো ইয়াত সন্নিৱিষ্ট হোৱা পৰিলক্ষিত হয়। তৎসত্বেও মিছনেৰীসকলৰ ভাষাৰ এটা স্বকীয় ৰূপ-ৰীতি আছে। সত্যেন্দ্রনাথ শর্মাই এনে গদ্যক 'মিছনেৰী-অসমীয়া' বুলি কোৱাটো মন কৰিবলগীয়া কথা। অৰুনোদই বার্তালোচনীত একান্তভাৱে লাগি থকা মিছনেৰীসকলে যত্ন কৰি অসমীয়া ভাষা শিকিছিল যদিও অসমীয়া জতুৱা ঠাঁচটো সম্পূর্ণৰূপে আয়ত্ত কৰিব পৰা নাছিল। ইংৰাজী ভাষাৰ ঠাঁচটো অজানিতভাৱেই অসমীয়া লিখোঁতেও প্রকাশ পাইছিল। সেয়ে তেওঁলোকৰ ৰচনাৰাজিত আচহুৱা ধৰণৰ বাক্যৰীতিও পৰিলক্ষিত হয়, উদাহৰণ স্বৰূপে– 'হেৰা আতা, তুমি কি কাৰণে আপোনাৰ মুৰ তললৈ ফুৰিছা ?'

শব্দসম্ভাৰ গদ্যৰ এক প্রধান বাহন। শব্দৰ ব্যৱহাৰৰ দ্বাৰা গদ্যশৈলীৰ মান নির্ণয় কৰিব পাৰি। অসমীয়া গদ্য-সাহিত্যৰ পৰিক্রমাত বিভিন্ন স্তৰৰ গদ্যত বেলেগ বেলেগ শব্দ-ৰূপৰ ব্যৱহাৰে ইয়াৰ গতি-প্রকৃতি নির্ণয়ত মাপ-কাঠিৰ দৰে কাম কৰিছে। ভট্টদেৱৰ গদ্যত ব্যৱহৃত শব্দ আছিল সংস্কৃতীয়া শব্দেৰে ভাৰাক্রান্ত। তাৰ পৰৱর্তী চৰিতৰ গদ্যত ভকতীয়া ঠাঁচৰ শব্দৰ সম্ভাৰে বিস্তীর্ণ স্থান অধিকাৰ কৰিছিল। বুৰঞ্জীৰ গদ্যত তাৰপৰা কিছুদূৰ আঁতৰি অহা এটি সুকীয়া আর্হি লক্ষ্য কৰা যায়। অৰুনোদইত ব্যৱহাৰ কৰা গদ্যৰ শব্দসম্ভাৰ পুৰণি গদ্য-পদ্য পুথিৰ, বিশেষকৈ বুৰঞ্জী, কথা-চৰিত, আৰু কথিত ভাষাৰ সৈতেহে বেছি মিল থকা বুলি মহেশ্বৰ নেওগে মন্তব্য কৰিছে। ইয়াৰ উদাহৰণ স্বৰূপে আপোনাৰ অধ্যয়নৰ বাবে নিদ্ধৰ্াৰিত পাঠ দুটিৰ শব্দ গুচ্ছলৈ আঙুলিয়াব পাৰি– মহাশয়েযু, পর্হিলে, থাপন, গা ধোএ, চোয়াচোন, পর্হা, তুলশি গছ, নোয়াৰি, ডেকা গঁফলা, বুৰা, গর্হাই, ৰাঙ্গ পাতা, সোভা, তৰাঙ্গ, ডাঙ্গৰ।

বেপ্তিষ্ট মিছনেৰীসকলে ব্যৱহাৰ কৰা গদ্য সম্পর্কে আৰু এটি বিশেষ কথা উল্লেখযোগ্য। তেওঁলোকে ভাষাটো ব্যৱহাৰ কৰোঁতে দীর্ঘস্বৰৰ উচ্চাৰণৰ প্রয়োজনীয়তা নাই বুলিয়েই হয়তো ইয়াক একেবাৰে পৰিহাৰ কৰিছিল। মহেশ্বৰ নেওগে এই ক্ষেত্রত কৰা মন্তব্য প্রণিধানযোগ্য– "অৰুণোদইত অসমীয়া উচ্চাৰণ আৰু ধ্বনি-বৈশিষ্ট্য ৰাখিবৰ যত্ন কৰা হৈছে যে মন কৰিবলগীয়া। ভাষাত হ্রস্ব-দীর্ঘৰ পার্থক্য নাই বাবে পুৰণি পুথিৰ দৰে অৰুনোদইৰো প্রায় কেৱল হ্রস্ব স্বৰ; শ,ষ,স-ৰ পার্থক্য নাই বাবে কেৱল স; দন্ত্য-মূর্ধন্য সমান বাবে ন, ণ ৰ মাজত অকল ন; জ আৰু য-ৰ উচ্চাৰণ য'ত একে তাত মাথোন জ; ৰেফৰ তলত দুটা ব্যঞ্জনৰ উচ্চাৰণ নহয় বাবে মাত্র এটা –এনে এটা ধাৰাত বর্ণ-বিন্যাসৰ সমীকৰণ কৰা হৈছে – যিটো সমীকৰণৰ পুৰণি পুথিত অভাৱ।" অর্থাৎ, শব্দৰূপৰ ক্ষেত্রত পুৰণি গদ্যৰ ঠাঁচ পৰিলক্ষিত হ'লেও অৰুনোদইৰ গদ্যত অসমীয়া উচ্চাৰণ বৈশিষ্ট্যৰ পিনে অধিক দৃষ্টি ৰখা হৈছিল। অৰুণোদইৰ বানান সম্বন্ধে স্বয়ং ডক্টৰ নাথান ব্রাউনে নিজেই লিখিছিল যে– মিছনেৰীসকলে পণ্ডিতৰ বাবে নিলিখি, সকলো মানুহৰ নিমিত্তেহে লিখিছে। সংস্কৃতৰ অনুগামী কৰি লিখাতকৈ এই ভাষাটোৰ মতেহে লিখা ভাল। ভাষা লিখোঁতে, আখৰৰ যিমান জাতি, তিমানহে লিখিব লাগে, একে জাতিৰ দুই তিনি প্রভেদৰ সকাম নাই। অৱশ্যে মন কৰিবলগীয়া যে অৰুনোদইৰ গদ্যৰীতিৰ অন্তর্গত ভাষাশৈলী ব্রাউন-ব্রুসন আদি শিৱসাগৰীয় মিছনেৰী প্রবর্তিত ঠাঁচৰ পৰা পৰৱর্তি সময়ত আঁতৰি

আহিছিল। আপোনাৰ অধ্যয়নৰ বাবে দিয়া পাঠ দুটি পৰৱৰ্তী কালৰ ৰচনা বাবে ইয়াত প্ৰয়োগ হোৱা ভাষা প্ৰায় আধুনিক অসমীয়া ভাষাৰ ওচৰ চপা।

অৰুনোদইৰ ভাষাত অসমীয়া কথিত ৰূপ, বিদেশী ভাষাৰ শব্দ আৰু অসমীয়া জতুৱা-ঠাঁচ আৰু খণ্ডবাক্যৰ বহুল প্ৰয়োগ ঘটিছিল। আপোনাৰ অধ্যয়নৰ বাবে নিৰ্ধাৰিত প্ৰথমটো লেখাত উল্লেখ আছে – সিৰস্তাদাৰ, পেস্কৰ, ইয়ং বঙ্গাল, চুপৰষ্টিস্যন ইত্যাদি।

দ্বিতীয়টো লেখাত বিদেশী ভাষাৰ শব্দৰ সিমান উদাহৰণ পোৱা নাযায় যদিও অসমীয়া কথন ভংগীৰ সুন্দৰ সমাৱেশ ঘটিছে। উদাহৰণৰ বাবে তেনে দুই এটি বাক্যাংশ উদ্ধৃত কৰিব পাৰি–

— যেন আপুনি অনুগ্ৰহ কৰি অৰুণোদয় পত্ৰৰ এচুকত ছাপি দি চিৰ বাৰ্ধিত কৰিব।
— মানুহৰ জাতি ধৰ্ম্ম চুলি আৰু কাপৰত হে থাকে।
— তাতে সেই ডেকাও সেই কথাত অতিশয় লাজ পায় গুচি গল।
— যি জনৰ অধিক জ্ঞান আছে, সেই মানুহেই নম্ৰ।
— জ্ঞানৰ হলে সীমাও নায়; জ্ঞান অধিক পালেও, আৰু অসংখ্যা জ্ঞান পাবলৈ আছে, এই কথা সকলোএ ভাবিবৰ উচিত।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১২ : 'সভ্য হবলৈ নিবেদন' লেখাটোৰ মাজেৰে তদানীন্তন অসমীয়া সমাজ জীৱনৰ কোনবোৰ দিশৰ পৰিচয় পোৱা যায়?

.....

প্ৰশ্ন নং ১৩ : অৰুনোদই কাকতৰ সমাজ সংস্কাৰত কি ভূমিকা আছিল?

.....

প্ৰশ্ন নং ১৪: অৰুনোদইৰ গদ্যশৈলীৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

.....

.....

প্ৰশ্ন নং ১৫: 'নম্ৰতাই জ্ঞানৰ ফল' লেখাটোৰ মূল শিক্ষা কি?

.....

2 ১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সভ্য হবলৈ নিবেদন' লেখাটোত তদানীন্তন অসমীয়া সমাজত প্ৰচলিত জাত যোৱাৰ ভয়, অন্ধবিশ্বাস, কুসংস্কাৰ আৰু ইংৰাজী শিক্ষাৰ প্ৰতি অনীহাৰ তীব্ৰ সমালোচনা কৰা হৈছে।

লেখকজনে শিক্ষাক সমাজ উন্নতিৰ মূল আধাৰ হিচাপে গণ্য কৰি অসমীয়া ডেকাসকলক বিদ্যাৰ পোহৰ সমাজত বিস্তাৰ কৰিবলৈ আহ্বান জনাইছে।

- লেখাটোৰ পৰা সেই সময়ৰ অসমীয়া সমাজৰ বহু বাস্তৱ ছবি পোৱা যায়। দীঘল চুলি ৰখা, চুৰিয়া পিন্ধা, পিণ্ডদান, গণক-বামুণৰ প্ৰভাৱ, কানি সেৱন, জাত-পাতৰ ধাৰণা, আৰ্থিক দুৰ্বলতা আৰু ইংৰাজী শিক্ষাৰ প্ৰতি ভীতি আদিৰ বিষয়ে জানিব পাৰিলোঁ।
- 'নম্রতাই জ্ঞানৰ ফল' লেখাটোত বিভিন্ন উপমাৰ জৰিয়তে প্ৰকৃত জ্ঞানী মানুহৰ অন্যতম গুণ হিচাপে নম্রতাৰ কথা ব্যাখ্যা কৰা হৈছে। ঘেঁহুৰ ভৰা থোক, গভীৰ নদী, ভৰা কলহ আৰু ধনী মানুহৰ উদাহৰণেৰে দেখুওৱা হৈছে যে প্ৰকৃত জ্ঞানী আৰু মহান ব্যক্তিয়ে কেতিয়াও অহংকাৰ নকৰে।
- লেখাটোৱে এই শিক্ষাও দিয়ে যে জ্ঞানৰ কোনো সীমা নাই। নিউটনৰ উক্তিৰ জৰিয়তে লেখকে বুজাইছে যে অধিক জ্ঞান লাভ কৰিলে মানুহ অধিক নম্র হয় আৰু নিজকে সম্পূৰ্ণ জ্ঞানী বুলি কেতিয়াও ভাবিব নালাগে।
- দুয়োটা লেখাৰ মাজেদি অৰুণোদই যুগৰ অসমীয়া সমাজ, শিক্ষা, সংস্কৃতি, জীৱনধাৰা আৰু মানসিকতাৰ এক জীৱন্ত ছবি প্ৰকাশ পাইছে। লগতে মিছনেৰীসকলে সমাজ সংস্কাৰ, জ্ঞানৰ প্ৰসাৰ আৰু আধুনিক চিন্তাধাৰা বিস্তাৰত পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়েও জানিব পাৰিলোঁ।
- অৰুণোদই কাকতৰ গদ্যত কথ্যভাষাৰ প্ৰয়োগ, সহজ প্ৰকাশভংগী, বিদেশী শব্দৰ ব্যৱহাৰ আৰু অসমীয়া উচ্চাৰণভিত্তিক বানানৰীতি লক্ষ্য কৰা যায়। এই বৈশিষ্ট্যসমূহে আধুনিক অসমীয়া গদ্যৰ বিকাশত বিশেষ ভূমিকা পালন কৰিছিল।

O ১৬.৬ অধিক জানিবলৈ

তালুকদাৰ, নন্দ (১৯৭৫); সংবাদপত্ৰৰ ৰদ কাঁচলীত অসমীয়া সাহিত্য; গুৱাহাটীঃ বৰুয়া এজেন্সি।
নেওগ, মহেশ্বৰ (২০০০); অসমীয়া সাহিত্যৰ ৰূপৰেখা; গুৱাহাটীঃ চন্দ্ৰ প্ৰকাশ।
নেওগ, মহেশ্বৰ (সম্পা.) (১৯৮৩); অৰুনোদই; গুৱাহাটীঃ অসম প্ৰকাশন পৰিষদ।
বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৭৬); অসমীয়া কথা সাহিত্য; গুৱাহাটীঃ লয়ার্ছ বুক ষ্টল।
বৰুৱা, বিৰিঞ্চি কুমাৰ (সম্পা.) (১৯৮৯); অৰুনোদইৰ ধলফাট; যোৱহাটঃ অসম সাহিত্য সভা।
শইকীয়া, অৰূপজ্যোতি (সম্পা.) (২০০৫); অৰুনোদই (১৮৬৫-১৮৬৮); নগাঁওঃ ক্ৰান্তিকাল প্ৰকাশ।
শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত; গুৱাহাটীঃ সৌমাৰ প্ৰকাশ।
শৰ্মা দলৈ, হৰিনাথ (২০০৪); অসমীয়া গদ্য-সাহিত্যৰ গতিপথ; নলবাৰীঃ পদ্মপ্ৰিয়া লাইব্ৰেৰী।

K ১৪.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ : 'সভ্য হবলৈ নিবেদন' লেখাটো *অৰুণোদই* সংবাদপত্ৰৰ ১৮৬১ চনৰ আগষ্ট মাহৰ সংখ্যাত প্ৰকাশ পাইছিল। এইটো কাকতখনৰ ষোড়শ বছৰৰ অষ্টম সংখ্যা আছিল। লেখাটো মূলতঃ সম্পাদকলৈ লিখা এখন চিঠি।

২ নং প্রশ্নৰ উত্তৰ : চিঠিখনত লেখকৰ নাম উল্লেখ কৰা হোৱা নাই। ইয়াৰ পৰিৱৰ্তে 'নিতান্ত অনুগৃহিত, এজন স্কুলৰ ছাত্ৰ' বুলি উল্লেখ কৰা হৈছে। ছাত্ৰজন শিৱসাগৰ স্কুলৰ আছিল বুলি কোৱা হৈছে, কিন্তু তেওঁৰ প্ৰকৃত পৰিচয় আজিও নিশ্চিতভাৱে জনা নাযায়।

৩ নং প্রশ্নৰ উত্তৰ : 'নম্রতাই জ্ঞানৰ ফল' লেখাটোও *অৰুণোদই*ৰ ১৮৬১ চনৰ আগষ্ট মাহৰ সংখ্যাত প্ৰকাশ পাইছিল। এই লেখাটোৰ লেখকৰ নামো উল্লেখ কৰা হোৱা নাই। তথাপি ইয়াৰ বিষয়বস্তু আৰু উদ্দেশ্য 'সভ্য হবলৈ নিবেদন' লেখাটোৰ সৈতে সামঞ্জস্যপূৰ্ণ বুলি দেখা যায়।

৪ নং প্রশ্নৰ উত্তৰ : চিঠিখনত গণক, বামুণ আৰু মঙ্গলতীসকলক অসমীয়া সমাজৰ উন্নতিৰ অন্যতম অন্তৰায় হিচাপে দোষাৰোপ কৰা হৈছে। লেখকৰ মতে, তেওঁলোকে গ্ৰহ-নক্ষত্ৰৰ দোষ আৰু নানা অন্ধবিশ্বাসৰ কথা কৈ মানুহক বিভ্ৰান্ত কৰিছিল আৰু ইংৰাজী শিক্ষাৰ প্ৰসাৰত বাধা দিছিল।

৫ নং প্রশ্নৰ উত্তৰ : লেখাটোৰ মূল বক্তব্য হৈছে যে অন্ধবিশ্বাস, কুসংস্কাৰ আৰু জাত যোৱাৰ ভয় ত্যাগ কৰি অসমীয়া সমাজে আধুনিক শিক্ষা গ্ৰহণ কৰা উচিত। লেখকে বিশ্বাস কৰে যে শিক্ষাৰ দ্বাৰাই মানুহ জ্ঞানী, সভ্য আৰু উন্নত হ'ব পাৰে।

৬ নং প্রশ্নৰ উত্তৰ : ঘেঁহুৰ থোকৰ উপমাৰ জৰিয়তে বুজাব বিচৰা হৈছে যে যি থোকত গুটি থাকে সি মূ�ৰ দোঁৱাই থাকে, কিন্তু পতান থোকহে থিয় হৈ থাকে। ঠিক তেনেদৰে প্ৰকৃত জ্ঞানী ব্যক্তি সদায় নম্ৰ হয়, আনহাতে অজ্ঞানী লোকসকলে অহংকাৰ কৰি ফুৰে।

৭ নং প্রশ্নৰ উত্তৰ : নিউটনে কৈছিল যে তেওঁ জ্ঞান-সাগৰৰ পাৰত ফুৰি মাত্ৰ কেইটামান শিল সংগ্ৰহ কৰিছে, অথচ জ্ঞানৰ অপাৰ সাগৰ এতিয়াও সন্মুখত বিস্তৃত হৈ আছে। ইয়াৰ দ্বাৰা বুজোৱা হৈছে যে জ্ঞানৰ কোনো শেষ নাই আৰু সঁচা জ্ঞানী ব্যক্তি সদায় নিজকে শিকি থকা মানুহ বুলিয়েই গণ্য কৰে।

৮ নং প্রশ্নৰ উত্তৰ : লেখাটোত ইংৰাজী পঢ়িলে জাত যায়, চুলি কাটিলে ধৰ্ম নষ্ট হয়, গ্ৰহ-নক্ষত্ৰৰ দোষ আদিৰ দৰে কুসংস্কাৰৰ তীব্ৰ সমালোচনা কৰা হৈছে। লেখকে এইবোৰ অন্ধবিশ্বাসে অসমীয়া সমাজৰ উন্নতিৰ পথ ৰুদ্ধ কৰিছে বুলি মত প্ৰকাশ কৰিছে।

৯ নং প্রশ্নৰ উত্তৰ : লেখকজনে অসমীয়া ডেকাসকলক বিদ্যা আহৰণ কৰি সমাজৰ পৰা অন্ধবিশ্বাস দূৰ কৰিবলৈ আহ্বান জনাইছে। তেওঁলোকক শিক্ষাৰ পোহৰ বিলাই আনকো সঠিক পথ দেখুৱাবলৈ অনুৰোধ কৰিছে, কিয়নো তেওঁৰ মতে সমাজৰ পুৱণি ধ্যান-ধাৰণা সহজে সলনি নহয়।

১০ নং প্রশ্নৰ উত্তৰ : লেখাটোত ঘেঁহুৰ ভৰা থোক তললৈ দো খাই থকা আৰু ভৰা কলহে কম শব্দ কৰাৰ উপমা ব্যৱহাৰ কৰা হৈছে। এই উপমাবোৰে বুজায় যে প্ৰকৃত জ্ঞানী ব্যক্তি

সদায় নম্র হয় আৰু অহংকাৰ নকৰে, আনহাতে অজ্ঞানী লোকসকলহে নিজৰ গৌৰৱ দেখুৱাই ফুৰে।

১১ নং প্রশ্নৰ উত্তৰ : লেখাটোৰ মূল শিক্ষা হৈছে যে জ্ঞান আৰু নম্রতা ওতঃপ্রোতভাৱে জড়িত। যিমানেই জ্ঞান বৃদ্ধি পায়, সিমানেই মানুহ নম্র হয়। সঁচা জ্ঞানীয়ে নিজকে কেতিয়াও সম্পূর্ণ জ্ঞানী বুলি নাভাবে আৰু সদায় নতুন জ্ঞান আহৰণৰ চেষ্টা কৰি থাকে।

১২ নং প্রশ্নৰ উত্তৰ : এই লেখাটোৰ মাজেৰে তদানীন্তন অসমীয়া সমাজত অন্ধবিশ্বাস, জাত যোৱাৰ ভয়, পিণ্ডদানৰ ধাৰণা, কানি সেৱনৰ প্রভাৱ, পূজা-পাতল আৰু বিভিন্ন কুসংস্কাৰৰ প্রচলন থকাৰ কথা জানিব পাৰি। লগতে ইংৰাজী শিক্ষাৰ প্রতি অনীহা আৰু আর্থিক অনগ্রসৰতাৰ ছবিও ইয়াত ফুটি উঠিছে।

১৩ নং প্রশ্নৰ উত্তৰ অৰুনোদই কাকতে অসমীয়া সমাজত শিক্ষাৰ প্রসাৰ, জ্ঞান-বিজ্ঞানৰ প্রচাৰ আৰু অন্ধবিশ্বাস দূৰীকৰণৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। ইয়াৰ জৰিয়তে দেশ-বিদেশৰ বাতৰি, ইতিহাস, সমাজনীতি আৰু আধুনিক চিন্তাধাৰা অসমীয়া পাঠকৰ মাজলৈ আগবঢ়োৱা হৈছিল।

১৪ নং প্রশ্নৰ উত্তৰ : অৰুনোদইৰ গদ্যশৈলীত অসমীয়া কথিত ভাষাৰ প্রভাৱ স্পষ্টভাৱে দেখা যায়। ইয়াৰ উপৰি হ্রস্ব স্বৰৰ প্রয়োগ, বিদেশী শব্দৰ ব্যৱহাৰ আৰু সহজ-সৰল বাক্য গঠনৰ বৈশিষ্ট্য লক্ষ্য কৰা যায়। মিছনেৰীসকলৰ ভাষা ব্যৱহাৰৰ ফলত ইয়াত এক স্বকীয় গদ্যৰীতি গঢ় লৈ উঠিছিল।

১৫ নং প্রশ্নৰ উত্তৰ : এই লেখাটোৰ মূল শিক্ষা হৈছে যে প্রকৃত জ্ঞানী ব্যক্তি সদায় নম্র হয়। জ্ঞান বৃদ্ধি পোৱাৰ লগে লগে মানুহৰ অহংকাৰ কমে আৰু নম্রতা বৃদ্ধি পায়। সেয়েহে নম্রতাক জ্ঞানৰ প্রকৃত ফল বুলি কোৱা হৈছে।

M ১৪.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ : তলত দিয়া প্রসমূহৰ উত্তৰ লিখক।

ক) 'সভ্য হবলৈ নিবেদন' লেখাটো ক'ত প্রকাশ পাইছিল ?

খ) 'সভ্য হবলৈ নিবেদন' চিঠিখন কোনে লিখিছিল ?

গ) 'সভ্য হবলৈ নিবেদন' লেখাটো কিমান চনৰ আগষ্ট মাহৰ সংখ্যাত প্রকাশ পাইছিল ?

ঘ) 'নম্রতাই জ্ঞানৰ ফল' লেখাটোত জ্ঞানী বৃদ্ধজনে কিহৰ উপমা দিছিল ?

ঙ) 'নম্রতাই জ্ঞানৰ ফল' লেখাটোত উল্লেখিত বিখ্যাত বিজ্ঞানীজন কোন ?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ : 'সভ্য হবলৈ নিবেদন' চিঠিখনৰ মূল উদ্দেশ্য কি আছিল ?

প্ৰশ্ন ২ : অসমীয়া সমাজৰ উন্নতিৰ অন্তৰায় হিচাপে লেখকজনে কাক দোষাৰোপ কৰিছে?

প্ৰশ্ন ৩ : ইংৰাজী শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত অসমীয়া সমাজত কি কুসংস্কাৰ প্ৰচলিত আছিল?

প্ৰশ্ন ৪ : 'নম্ৰতাই জ্ঞানৰ ফল' লেখাটোত ঘেঁহুৰ থোকৰ উপমাৰ তাৎপৰ্য কি?

প্ৰশ্ন ৫ : নিউটনৰ উক্তিয়ে কি শিক্ষা দিয়ে?

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ : 'সভ্য হবলৈ নিবেদন' লেখাটোত প্ৰতিফলিত সমসাময়িক অসমীয়া সমাজ-জীৱনৰ ছবি আলোচনা কৰা।

প্ৰশ্ন ২ : 'সভ্য হবলৈ নিবেদন' লেখাটোত ইংৰাজী শিক্ষাৰ প্ৰয়োজনীয়তা কেনেদৰে প্ৰতিপন্ন কৰা হৈছে বৰ্ণনা কৰা।

প্ৰশ্ন ৩ : 'নম্ৰতাই জ্ঞানৰ ফল' লেখাটোৰ বিষয়বস্তু আৰু মূল শিক্ষা আলোচনা কৰা।

প্ৰশ্ন ৪ : 'নম্ৰতাই জ্ঞানৰ ফল' লেখাটোত ব্যৱহৃত উপমাসমূহৰ তাৎপৰ্য ব্যাখ্যা কৰা।

প্ৰশ্ন ৫ : অৰুনোদই কাকতে অসমীয়া সমাজৰ জ্ঞান-বিস্তাৰ আৰু সমাজ-সংস্কাৰত আগবঢ়োৱা অৱদানৰ বিষয়ে আলোচনা কৰা।